**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পৰিৱেশ বিষয়ক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব।

২। ম্যানমাৰত কালিৰ প্ৰলয়ংকাৰী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪৪ লৈ বৃদ্ধি পাইছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ষষ্ঠ BIMSTEC সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে অহা ৩ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে থাইলেণ্ডলৈ যাব।

৪। বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত কৌশলগত স্বাৰ্থ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে।

ooooo

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পৰিৱেশ বিষয়ক ৰাষ্ট্ৰীয় সন্মিলন উদ্বোধন কৰিব। দুদিনীয়া এই সন্মিলনত পৰিৱেশ বিশেষজ্ঞ, নীতি নিৰ্ধাৰক আৰু পৰিৱেশ কৰ্মীসকলে পৰিৱেশ সম্পৰ্কীয় জটিল সমস্যাসমূহৰ কাৰ্যকৰী সমাধান সূত্ৰ অন্বেষণৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা কৰিব। ৰাষ্ট্ৰীয় সেউজ প্ৰাধিকৰণে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত চাৰিটা গুৰুত্বপূৰ্ণ সত্ৰ অনুষ্ঠিত হ'ব আৰু বিভিন্ন সত্ৰত জলবায়ু পৰিৱৰ্তন, জনসংখ্যা নিয়ন্ত্ৰণ, জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু স্থায়ী বিকাশকে ধৰি পৰিৱেশৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হ'ব।

ooooo

ম্যানমাৰত কালিৰ প্ৰলয়ংকাৰী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪৪ লৈ বৃদ্ধি পাইছে। ইপিনে বেংককত এটা নিৰ্মীয়মান সুউচ্চ অট্টালিকাৰ ধ্বংসস্তূপৰ মাজৰ পৰা কমেও দহজন লোকক উদ্ধাৰ কৰা হৈছে। ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতাত্বিক জৰীপ বিভাগে আংশকা প্ৰকাশ কৰিছে।

ভাৰতে ম্যানমাৰলৈ প্ৰায় ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। হিন্দন বায়ুসেনা কেন্দ্ৰৰ পৰা এই সামগ্ৰীখিনি বায়ুসেনাৰ বিমানেৰে ম্যানমাৰলৈ প্ৰেৰণ কৰা হৈছে। সাহায্য সামগ্ৰীসমূহৰ ভিতৰত শ্লিপিং বেগ, টেণ্ট, কম্বল, পেকেটৰ খাদ্য-সামগ্ৰী, জেনেৰেটৰ আদি আছে। তদুপৰি ভূমিকম্পত ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে ঔষধ, হাতমোজা, বেণ্ডেজ আদিও প্ৰদান কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ম্যানমাৰ আৰু থাইলেণ্ডৰ ভূমিকম্পক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু কুশল কামনা কৰে। দেশ দুখনলৈ প্ৰয়োজনীয় সকলো সাহায্য আগবঢ়াবলৈ ভাৰত সাজু বুলিও তেওঁ কয়। শ্ৰীমোদীয়ে লগতে

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক ম্যানমাৰ আৰু থাইলেণ্ড চৰকাৰৰ সৈতে সঘন যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ম্যানমাৰ আৰু থাইলেণ্ডত কালি ওপৰা-ওপৰিকৈ অহা দুটা ভূমিকম্পত দেশ দুখনৰ জন-ধন আৰু আন্তঃগাঁথনিৰ বৃহৎ ক্ষতি হৈছে। ৰিখটাৰ স্কেলত ৭ দশমিক ৭ আৰু ৬ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্য, উত্তৰ বংগৰ উপৰি চীনৰ দক্ষিণ-পশ্চিম অংশতো অনুভূত হয়।

০০০০০

আকাশবাণীৰ ইউটিউব চেনেল **আৰাধনাই** পৱিত্ৰ নৱৰাত্ৰি উপলক্ষে কেতবোৰ বিশেষ কাৰ্যসূচী প্ৰচাৰ কৰিব। কাইলৈৰ পৰা অহা ৬ এপ্ৰিললৈকে এই চেনেলটোৰ জৰিয়তে এই বিশেষ কাৰ্যসূচীৰ প্ৰচাৰৰ দিহা কৰা হৈছে। এই সময়ছোৱাত প্ৰতিদিনে সন্ধিয়া ৬ বজাৰ পৰা ৭ বজালৈ অনুপ জলোটা, নৰীন্দৰ চঞ্চল, হৰিওম শ্বৰণ আৰু অনুৰাধা পড়োৱালকে ধৰি জনপ্ৰিয় ভজন গায়কসকলৰ ভজন প্ৰচাৰ কৰা হ'ব। ইউটিউব চেনেলটোৰ বিষয়ে প্ৰকাশ কৰি প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিৱেদীয়ে কয়, যে ইয়াৰ জৰিয়তে নৱৰাত্ৰিৰ প্ৰতিটো দিনৰ মহত্ব সম্পৰ্কে এলানি বিশেষ কাৰ্যসূচী প্ৰচাৰ কৰা হ'ব। অহা ৬ এপ্ৰিলত অযোধ্যাৰ শ্ৰীৰাম জন্মভূমি মন্দিৰৰ পৰা ৰাম জন্মোৎসৱৰ পোনপটীয়া কাৰ্যসূচীৰে নৱৰাত্ৰি উদযাপনৰ সামৰণি পৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ষষ্ঠ BIMSTEC সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে অহা ৩ এপ্ৰিলত দুদিনীয়া ভ্ৰমণসূচীৰে থাইলেণ্ডলৈ যাব। থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটংটাৰ্ন চীনাৱাট্ৰাৰ আমন্ত্ৰণমৰ্মে শ্ৰীমোদী দেশখনলৈ যাব। নতুন দিল্লীত সাংবাদিকৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পূবৰ সচিব জয়দীপ মজুমদাৰে কয়, যে এয়া হ'ব প্ৰধানমন্ত্ৰীৰ তৃতীয়টো থাইলেণ্ড ভ্ৰমণ। শ্ৰীমজুমদাৰে কয়, যে ভাৰত আৰু থাইলেণ্ডৰ মাজত ঐতিহাসিক দ্বিপাক্ষিক সম্পৰ্ক আছে। থাইলেণ্ড ভাৰতৰ সামুদ্ৰিক ওচৰ-চুবুৰীয়া দেশ তথা BIMSTEC, এক-ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীত থাইলেণ্ড ভাৰতৰ অতি গুৰুত্বপূৰ্ণ অংশীদাৰ বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি শ্ৰীমজুমদাৰে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদী এই ভ্ৰমণকালত থাইলেণ্ডৰ প্ৰধানমন্ত্ৰী পেটংটাৰ্ন চীনাৱাট্ৰাৰ সৈতে আলোচনাত মিলিত হ'ব। এইবাৰৰ সন্মিলনত BIMSTEC ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰ বিভিন্ন উপায় সন্দৰ্ভত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ইয়াৰ পাছত ৪ এপ্ৰিলত প্ৰধানমন্ত্ৰীগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ আমন্ত্ৰণমৰ্মে দেশখনলৈ যাব। এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি দিশানায়কেৰ সৈতে ভাৰত আৰু শ্ৰীলংকাৰ পূৰ্বৰ সহযোগিতামূলক ক্ষেত্ৰসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই লগতে শক্তি, ডিজিটাইজেচন আৰু স্বাস্থ্য খণ্ডত কেইবাখনো বুজাবুজিৰ চুক্তি বিনিময় কৰিব। শ্ৰীমোদীয়ে দেশখনৰ শীৰ্ষ প্ৰতিনিধি তথা ৰাজনৈতিক নেতাসকলৰ সৈতেও বৈঠকত মিলিত হ'ব।

০০০০০

বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত কৌশলগত স্বাৰ্থ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিছে। আমেৰিকাৰ চিনেটৰ দ্বাৰা দেশখনৰ উপ-বিদেশ মন্ত্ৰী হিচাপে নিযুক্তি লাভ কৰা ক্ৰিষ্ট'ফাৰ লেণ্ডাওক অভিনন্দন জ্ঞাপন কৰি শ্ৰীমিশ্ৰীয়ে দুয়োখন দেশৰ মাজৰ ব্যাপক গোলকীয়

কৌশলগত অংশীদাৰিত্ব প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বাণিজ্য, প্ৰতিৰক্ষা আৰু প্ৰযুক্তি সহযোগিতা বৃদ্ধিৰ লগতে প্ৰব্ৰজনৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰতো আলোচনা কৰে। দুয়ো পক্ষই পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহৰ সন্দৰ্ভত দেশ দুখনৰ মাজৰ আলোচনা চলাই নিবলৈ সহমত প্ৰকাশ কৰে। ভাৰতৰ বিদেশ সচিবগৰাকীয়ে শ্ৰীলেঙ্কাওক ভাৰত ভ্ৰমণৰ বাবেও আমন্ত্ৰণ জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰ আৰু ছত্তিশগড় ভ্ৰমণ কৰিব। মহাৰাষ্ট্ৰ ভ্ৰমণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে নাগপুৰলৈ গৈ স্মৃতি মন্দিৰ দৰ্শন কৰাৰ লগতে দীক্ষা ভূমিও ভ্ৰমণ কৰিব। ইয়াৰ পাছত তেওঁ নাগপুৰত মাধৱ নেত্ৰালয় প্ৰিমিয়াম চেণ্টাৰৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি এখন জনসভাতো ভাষণ দিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাজ্যখনত নতুনকৈ স্থাপন কৰা কেইবাটাও প্ৰকল্প আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে চত্তিশগড়ৰ বিলাসপুৰত ৩৩ হাজাৰ কোটি টকাৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

ooooo

প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ অধীনত বিহাৰত কোচি মেচি আন্তঃৰাজ্যিক সংযোগ প্ৰকল্পৰ অন্তৰ্ভুক্ত আৰু চাৰিলেনযুক্ত পাটনা-ছচাৰাম কৰিড'ৰ প্ৰকল্পক অন্তৰ্ভুক্ত কৰাৰ বাবে মন্ত্ৰী পৰিষদে গ্ৰহণ কৰা সিদ্ধান্তৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শলাগ লৈছে। সামাজিক মাধ্যমৰ এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে বিহাৰৰ সামগ্ৰিক বিকাশৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কোচি মেচি আন্তঃৰাজ্যিক সংযোগ প্ৰকল্পৰ জৰিয়তে বৃহৎ অঞ্চলত জলসিঞ্চনৰ সুবিধা লাভ কৰিব পৰা যাব আৰু ইয়ে ৰাজ্যখনৰ কৃষক ভাই-ভনীসকলৰ আয় বৃদ্ধিত সহায় কৰিব। আন এটা প'ষ্টত শ্ৰীমোদীয়ে কয়, যে চাৰিলেনযুক্ত পাটনা-ছচাৰাম কৰিড'ৰ প্ৰকল্পৰ অনুমোদন বিহাৰৰ জনসাধাৰণৰ বাবে এটা অত্যন্ত উৎসাহজনক খবৰ। এই প্ৰকল্পই অৰ্থনৈতিক বিকাশৰ লগতে যান-জঁটৰ সমস্যা হ্ৰাস কৰাত সহায়ক হ'ব বুলি তেওঁ উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে কালি বৈদ্যুতিক সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰাৰ লগতে এই সামগ্ৰীসমূহৰ যোগান শক্তিশালী কৰিবলৈ বৈদ্যুতিক সামগ্ৰী উৎপাদন আঁচনিত অনুমোদন জনাইছে। কালি নতুন দিল্লীত মন্ত্ৰীসভাৰ সিদ্ধান্তসমূহৰ বিষয়ে সংবাদ মাধ্যমৰ আগত অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে বৈদ্যুতিক সামগ্ৰী উৎপাদন আঁচনিৰ বাবে চৰকাৰে ২২ হাজাৰ কোটি টকাৰো অধিক পুঁজিৰ যোগান ধৰিব। তেওঁ লগতে কয়, যে এই আঁচনিৰ জৰিয়তে ৯১ হাজাৰৰো অধিক প্ৰত্যক্ষ কৰ্ম সংস্থাপনৰ লগতে কেইবাহাজাৰৰো অধিক পৰোক্ষ কৰ্ম সংস্থাপনৰ সৃষ্টি হ'ব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে। চেন্নাইয়ে ১৯৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাচিন ৰবীন্দ্ৰই সৰ্বাধিক ৪১ ৰাণ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ জছ

হেজেলউদে ৩টা উইকেট দখল কৰাৰ উপৰি য়ছ দায়াল আৰু লিয়াম লিভিংষ্টনে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে বেংগালুৰুয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৯৬ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ৰজত পাটিদাৰে ৩২টা বলত ৫১ ৰাণ কৰে।  নুৰ আহমেদে ৩টা আৰু মাতিশ্বা পাথিৰানাই দুটা উইকেট দখল কৰে। ৰজত পাটিদাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

জৰ্দানৰ আম্মানত অনুষ্ঠিত এছিয়ান ৰেষ্টলিং চেম্পিয়নশ্বিপত ভাৰতীয় মল্লযুঁজাৰু মনীষা ভানৱালাই ২০২১ চনৰ পাছত দেশৰ হৈ প্ৰথমটো সোণৰ পদক জয় কৰাৰ লগতে অন্তিম পংঘলে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মনীষাই মহিলাৰ ৬২ কিলোগ্ৰাম শাখাৰ ফাইনেলত কোৰিয়াৰ অ'কে জে কিমক ৮-৭ পইণ্টত পৰাস্ত কৰে। অন্তিম পংঘলে ৫৩ কিলোগ্ৰাম শাখাত টাইপেইৰ প্ৰতিদ্বন্দ্বীক  পৰাস্ত কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতীয় মল্লযুঁজাৰুসকলে বৰ্তমানলৈকে এটা সোণ, এটা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। পুৰুষৰ ফ্ৰি ষ্টাইল প্ৰতিযোগিতাসমূহ কাইলৈ আৰম্ভ হ'ব।

০০০০০

সমাপ্ত